**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-JUNE-2026

**Time :** 1910 HRS

***Assamese Evening Bulletin***

***Headlines***

———————————————

০০০০০০

১। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে বিগত ১২ বছৰত নৰেন্দ্ৰ মোদী চৰকাৰে ভাৰতক এখন অভিলাষী দেশলৈ উন্নীত কৰা বুলি মত প্ৰকাশ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ইণ্ডোনেছিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছুগিঅ'ন'ই সহ অধ্যক্ষতা কৰা ভাৰত-ইণ্ডোনেছিয়া যুটীয়া আয়োগৰ বৈঠকৰ আজি অন্ত পৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মেজৰ অভিলাষা বাৰাকক ৰাষ্ট্ৰসংঘৰ মিলিটেৰী জেণ্ডাৰ এডভ'কেট অব দি ইয়েৰ সন্মান লাভ কৰাৰ বাবে অভিনন্দন জনাইছে।

৪। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ২০২৬ চনৰ ছাফ চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত খিতাপ দখল কৰাৰ বাবে ভাৰতীয় মহিলা ফুটবল দলটোক অভিনন্দন জনাইছে।

**আৰু**

৫। ভাৰত-আফগানিস্তানৰ মাজৰ একমাত্ৰ টেষ্ট ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয় দিনৰ অন্তত আফগানিস্তানৰ বিৰুদ্ধে ভাৰতে ৪৫১ ৰাণৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে বিগত ১২ বছৰত দেশক সুযোগ, উদ্ভাৱন আৰু আত্মবিশ্বাসৰ জৰিয়তে এখন অভিলাষী দেশলৈ উন্নীত কৰিছে। সংবাদ মাধ্যমক উদ্দেশ্যে ড০ সিঙে কয় যে প্ৰশাসনীয় সংস্কাৰ, প্ৰযুক্তিগত গণতান্ত্ৰিকীকৰণ আৰু নাগৰিক-কেন্দ্ৰিক নীতিৰ জৰিয়তে দেশৰ জনসাধাৰণৰ ভৱিষ্যতৰ দৃষ্টিভংগী সলনি হৈছে। তেওঁ লগতে কয় যে দেশৰ মহাকাশ অৰ্থনীতি সদ্যহতে ৯০০ কোটি আমেৰিকান ডলাৰৰ যদিও অহা ৭ৰ পৰা ৮ বছৰৰ ভিতৰত এই পৰিমাণ প্ৰায় ৪ হাজাৰ ৫০০ কোটি আমেৰিকান ডলাৰ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। ২০১৪ চনৰ ৪০০টা ষ্টাৰ্ট আপৰ বিপৰীতে সম্প্ৰতি দেশত ২ লাখ ৩০ হাজাৰতকৈও অধিক ষ্টাৰ্ট আপ গঢ়ি উঠিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ জৰিয়তে প্ৰায় ২৫ লাখ নিয়োগৰ সুবিধা সৃষ্টি হৈছে। চন্দ্ৰৰ দক্ষিণ মেৰুত ভাৰতৰ সফল অৱতৰণে বিজ্ঞানৰ প্ৰতি জনসাধাৰণৰ ধাউতি বৃদ্ধি কৰিছে বুলিও তেওঁ উল্লেখ কৰে। চৰকাৰৰ দীৰ্ঘদিনীয়া নীতি কেৱল অৰ্থনৈতিক প্ৰগতিয়েই নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে ২০৪৭ চনলৈ বিকশিত ভাৰতৰ দৃষ্টিভংগী সফল কৰি তোলাৰ উদ্দেশ্যে এখন শক্তিশালী আৰু অভিলাষী সমাজ নিৰ্মাণৰ বাবে চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে।

০০০০০০

নতুন দিল্লীত আজি ভাৰত-ইণ্ডোনেছিয়া যুটীয়া আয়োগৰ বৈঠকৰ অন্ত পৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ইণ্ডোনেছিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছুগিঅ'ন'ই বৈঠকত সহ অধ্যক্ষতা কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে দুয়োখন দেশৰ মাজৰ সৰ্বাত্মক কৌশলগত মিত্ৰতা

শেহতীয়া কেইবছৰমানত ত্বৰান্বিত হৈছে। তেওঁ শিক্ষা, সাংস্কৃতিক সহযোগিতা, পৰ্যটনৰ লগতে গুৰুত্বপূৰ্ণ সম্পদ, সাৰ, ভেষজ, স্বাস্থ্য, বিত্ত প্ৰযুক্তি, বাণিজ্য সামুদ্ৰিক পৰিবহন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা তথা ৰাজনৈতিক দিশকে ধৰি বিভিন্ন দিশ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয় বুলি প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই আঞ্চলিক শেহতীয়া ঘটনাৱলীৰ সন্দৰ্ভত মত-বিনিময় কৰাৰ লগতে  ভাৰত-আছিয়ান মিত্ৰতা গভীৰ কৰাৰ উপৰি বহুপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰা সন্দৰ্ভতো আলোচনা কৰে। ইয়াৰ পূৰ্বে ড০ জয়শংকৰে কয় যে চাৰি বছৰৰ বিৰতিৰ পাছত দুয়োখন দেশৰ যুটীয়া আয়োগৰ বৈঠকত অনুষ্ঠিত হৈছে। এই সময়ছোৱাত দ্বিপাক্ষিক মিত্ৰতাৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ প্ৰগতি হোৱা বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু ইণ্ডোনেছিয়াই যোৱা বছৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মেজৰ অভিলাষা বাৰাকক ৰাষ্ট্ৰসংঘৰ মিলিটেৰী জেণ্ডাৰ এডভʼকেট অব দি ইয়েৰ সন্মান লাভ কৰাৰ বাবে অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে এই সন্মানৰ জৰিয়তে মেজৰ বাৰাকৰ উৎকৃষ্ট সেৱা তথা ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষাৰ প্ৰচেষ্টাত দেশৰ দীৰ্ঘদিনীয়া বৰঙণি প্ৰতিফলিত হৈছে। শ্ৰীমোদীয়ে লগতে কয় যে মেজৰ বাৰাকৰ এই সাফল্যই দেশৰ অগণন যুৱক-যুৱতীক উৎসাহিত কৰিব। বিশেষকৈ দেশৰ যুৱতীসকলে দেশ সেৱা তথা মানৱ সেৱাৰ বাবে অধিক উৎসাহেৰে কাম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে মেজৰ বাৰাক ৰাষ্ট্ৰসংঘৰ লেবাননৰ অন্তৰৱৰ্তীকালী বাহিনীত কৰ্মৰত হৈ আছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬ চনৰ ছাফ চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত খিতাপ দখল কৰাৰ বাবে ভাৰতীয় মহিলা ফুটবল দলটোক অভিনন্দন জনাইছে। উল্লেখযোগ্য যে গোৱাৰ মাডগাঁৱত অনুষ্ঠিত এই প্ৰতিযোগিতাত কালি ভাৰতে পূৰ্বৰ চেম্পিয়ন বাংলাদেশক ৩-১ গʼলত পৰাস্ত কৰি অভিলেখ সংখ্যকভাৱে ষষ্ঠ বাৰৰ বাবে খিতাপ দখল কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে মহিলা ফুটবল খেলুৱৈসকলে এই প্ৰতিযোগিতাত অনন্য কৌশল, নিষ্ঠা তথা একতাৰ মনোভাৱ প্ৰদৰ্শন কৰিছে। এই উল্লেখনীয় সাফল্যই দেশজুৰি যুৱতীসকলক নিজৰ সপোন সফল কৰাৰ উদ্দেশ্যে আত্মবিশ্বাস আৰু সাহসেৰে আগবাঢ়ি যাবলৈ উৎসাহিত কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এটা বাৰ্তাত কয় যে দেশৰ মহিলা ফুটবল দলটোৰ এই শক্তিয়ে উল্লেখনীয় সাফল্য প্ৰতিফলিত কৰিছে। এই সাফল্যই দেশজুৰি খেলুৱৈসকলক উৎসাহিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ  লগতে এয়া দেশৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলিও উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দলটোৱে সমগ্ৰ প্ৰতিযোগিতাখনতেই উৎকৃষ্ট প্ৰদৰ্শন কৰিছে। এই প্ৰদৰ্শনে সমাগত সময়ত অধিক যুৱক-যুৱতীক ফুটবল খেলাৰ বাবে উৎসাহিত কৰিব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে দলটোক ভৱিষ্যতৰ বাবে শুভেচ্ছা জনায়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ছাফ চেম্পিয়নশ্বিপত খিতাপ দখল কৰা মহিলা ফুটবল দলটোক অভিনন্দন জনাই সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত কয় যে এই উল্লেখনীয় সাফল্যই খেলুৱৈসকলৰ অতুসনীয় পৰিশ্ৰম, নিষ্ঠা আৰু অনন্য দলীয় মনোভাৱ প্ৰতিফলিত কৰিছে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুক মাণ্ডাভিয়াইও মহিলা ফুটবল দলটোক ছাফ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

পশ্চিম বংগৰ শিলিগুৰিত আজি মহিলা আৰু শিশু উন্নয়ন তথা সমাজ কল্যাণ মন্ত্ৰী অগ্নিমিত্ৰ পলে এখন উচ্চ পৰ্যায়ৰ প্ৰশাসনীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। উল্লেখযোগ্য যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন্ত্ৰীগৰাকীৰ প্ৰথমটো চৰকাৰী উত্তৰ বংগ ভ্ৰমণ। এই বৈঠকত দাৰ্জিলিং কালিমপং, জলপাইগুৰি, আলিপুৰ দুৱাৰ আৰু কোচবিহাৰৰ জনপ্ৰতিনিধি তথা জিলা বিষয়াসকল উপস্থিত থাকে। বৈঠকত বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণ, পৰিবহন নিয়ন্ত্ৰণ, আৱৰ্জনা নিষ্কাষণ, অনাময়, দুৰ্যোগ প্ৰশমন, সমাজ কল্যাণ, মহিলা আৰু শিশু উন্নয়ন তথা নগৰ নিকায়ৰ বিভিন্ন কাম-কাজকে ধৰি বিভিন্ন দিশ আলোচনা কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমক উদ্দেশ্যি শ্ৰীপলে কয় যে নগৰীয়া আন্তঃগাঁথনি আৰু স্বচ্ছতা উন্নীত কৰাৰ উদ্দেশ্যে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। অহা পহিলা জুলাইৰ পৰা কেৱল নিৰ্দিষ্ট স্থানসমূহতহে যান-বাহন ৰখোৱাৰ বাবে অনুমতি দিয়া হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে পাৰ্কিঙৰ বাবে জৰিমনা বিহা হ'ব। পাৰ্কিং মাচুল সংগ্ৰহ অধিক স্বচ্ছ হোৱা উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে শিলিগুৰি পৌৰ নিগমত উত্থাপিত দুৰ্নীতিৰ অভিযোগৰ তদন্ত কৰা হ'ব।

০০০০০০

জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই আজি ৰাজৌৰী জিলাত কৰ্তব্যৰত অৱস্থাত মৃত্যুবৰণ কৰা লেফটেনেণ্ট বীৰেশ্বৰ গোস্বামীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে। জম্মুৰ বায়ুসেনা বাহিনীৰ ছাউনীত সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে আৰু পুষ্পমাল্য তৰ্পন কাৰ্যসূচী অনুষ্ঠিত হয়। তদুপৰি উপ-ৰাজ্যপাল সিনহা, সামৰিক বাহিনীৰ উচ্চপদস্থ বিষয়া, আৰক্ষী তথা অসামৰিক বিষয়াসকলেও শ্বহীদগৰাকীৰ প্ৰতি শ্ৰদ্ধা তৰ্পন কৰে। ইয়াৰ পাছত তেওঁ নশ্বৰ দেহ উত্তৰাখণ্ডৰ আলমোৰা জিলাত থকা তেওঁ বাসগৃহলৈ অন্তিম সৎকাৰৰ বাবে লৈ যোৱা হয়। লেফটেনেণ্ট বীৰেশ্বৰ গোস্বামী যোৱা সন্ধিয়া গম্ভীৰ মুগলান বেল্টৰ ডৰিমাল অঞ্চলত চলা এটা সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ সময়ছোৱাত গভীৰ খাৰৈত পিচলি পৰে। ৰাজৌৰী জিলাৰ বনাঞ্চলত লুকাই থকা বুলি সন্দেহ কৰা কেইজনমান পাকিস্তানী সন্ত্ৰাসবাদীক ধৰা পেলাবলৈ এই ছেৰুৱালী অভিযান চলোৱা হৈছিল।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ অহিঅ'ৰ টলেডোত এটা জনপ্ৰিয় সমূহীয়া উৎসৱত হোৱা এটা গুলীচালনাত ১২গৰাকী লোক আহত হয়। ইয়াৰ ভিতৰত দুজনৰ অৱস্থা সংকটজনক। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি অ'ল্ড ওৱেষ্ট এণ্ড ফেষ্টিভেলৰ সমীপত গুলীচালনাটো সংঘটিত হয়। টলেড'ৰ উপ-আৰক্ষী মুৰববী জ' হেফাৰনানে যে গুলীচালনাৰ আঁৰত দুজন ব্যক্তি জড়িত থকাৰ আশংকা প্ৰকাশ কৰিছে। আৰক্ষীয়ে অভিযুক্তক বিচাৰি ইতিমধ্যে অভিযান আৰম্ভ কৰিছে। অ'হিঅ'ৰ গৱৰ্ণৰ মাইক ডেৱাইনে ঘটনাটোত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰে আৰু কয় যে পৰিস্থিত সন্দৰ্ভত প্ৰাদেশিক কৰ্তৃপক্ষই গুৰুত্ব সহকাৰে নিৰীক্ষণ কৰি আছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবীণ অভিনেতা ছেলিম কুমাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানন্ত্ৰীয়ে কয় যে বৰ্ণিল অভিনয় জীৱনত অভিনেতাগৰাকীয়ে বিভিন্ন চৰিত্ৰ ৰূপায়ণ তথা স্মৰণীয় প্ৰদৰ্শনৰ জৰিয়তে জনসাধাৰণৰ মনত সাচ বহুৱাইছিল। শ্ৰীমোদীয়ে অভিনেতাগৰাকীৰ পৰিয়াল তথা অগণন গুণমুগ্ধলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০

নিউ চণ্ডীগড়ত চলী থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ একমাত্ৰ টেষ্ট প্ৰতিযোগিতাৰ দ্বিতীয় দিনা আফগানিস্তানে প্ৰথম ইনিংছত ৫টা উইকেটৰ বিনিময়ত ১১৩ ৰান সংগ্ৰহ কৰি খেলি আছে। আলহী দলটো বৰ্তমান ৪৫১ ৰান পিছ পৰি আছে আছে। দিনান্তৰ শেষত ৰহমত শ্বাহে ৪৩ ৰান কৰি অপৰাজিত হৈ থাকে। ভাৰতৰ হৈ অভিষেক ঘটোৱা মানৱ সুথাৰে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে বেগী বলাৰ প্ৰসিদ্ধ কৃষ্ণই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৮ উইকেটত ৫৬৪ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। কালি ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ সিদ্ধান্ত লৈছিল। অধিনায়ক শুভমন গিলে ১২৬ ৰান, কে এল ৰাহুলে ১০০, ঋষভ পন্ত আৰু ছাই সুদৰ্শনে ৮১ ৰানকৈ আৰু ৱাশ্বিংটন সুন্দৰে ৫২ ৰান কৰি অপৰাজিত হৈ থাকে। উল্লেখযোগ্য যে একমাত্ৰ টেষ্টখন বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ চক্ৰৰ বাহিৰত অনুষ্ঠিত হৈছে।

oooooo

**সমাপ্ত**